# পাঠ নং ১০
# আদি প্ৰস্তৰ যুগ

3PZIC2

**মূল অৰ্হতা ঃ**

- ➤ আদিম মানুহৰ বিষয়ে জনাৰ বিভিন্ন উৎসসমূহৰ বিষয়ে জ্ঞান লাভ কৰা।
- ➤ আদিম মানুহৰ খাদ্য, বাসস্থান আৰু সাজ-পোছাকৰ বিষয়ে ধাৰণা লাভ কৰা।
- ➤ জুইৰ আৱিষ্কাৰৰ বিষয়ে জনা।
- ➤ আদিম মানুহৰ ব্যৱহৃত সা-সঁজুলি, আ-অলংকাৰৰ লগত পৰিচয় হোৱা।
- ➤ আদিম মানুহৰ আমোদ-প্ৰমোদৰ বিভিন্ন মাধ্যমৰ বিষয়ে অৱগত হোৱা।

তোমালোকে আগৰ পাঠত পূৰ্বপুৰুষসকলৰ বিষয়ে তথ্য আহৰণ কৰোঁতে তেওঁলোকে কিদৰে জীৱন-নিৰ্বাহ কৰিছিল, তাৰ এটা থূলমূল আভাস পাইছাহঁক। ইতিহাসৰ ভিন ভিন সমল অধ্যয়নৰ জৰিয়তে আদিম মানুহৰ জীৱন-নিৰ্বাহ প্ৰণালী কেনে আছিল, তেওঁলোকৰ খাদ্যাভ্যাস কেনে আছিল, সাজ-পাৰ কি আছিল আদিৰ ওপৰত এটি ধাৰণা কৰিব পৰা যায়। তলৰ ছবিখনলৈ মন কৰাচোন, কি দেখিছা বাৰু?



*চিত্ৰ - ১ ঃ প্ৰাচীন মানুহৰ চিকাৰ আৰু খাদ্য সংগ্ৰহ*

ছবিখনত আমি কিছুমান মানুহক চিকাৰ কৰি থকা, কিছুমানক গছ আদিৰ পৰা খাদ্য সংগ্ৰহ কৰি থকা

দেখিবলৈ পাইছোঁ। এই চিত্ৰৰ পৰা অনুমান কৰিব পাৰি যে, আদিম মানুহে বনৰীয়া জীৱ-জন্তু চিকাৰ কৰি, মাছ ধৰি, গছৰ ফলমূল, শিপা, গুটি, পাত আদি সংগ্ৰহ কৰি খাইছিল আৰু সেইকাৰণে তেওঁলোকক মূলতঃ **চিকাৰী অথবা খাদ্য সংগ্ৰহকাৰী** বুলি আখ্যা দিয়া হৈছিল। কিন্তু কোনোটো কামেই তেওঁলোকৰ বাবে আজিৰ দৰে সহজ নাছিল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে আদিম মানুহে এক কঠিন জীৱন যাপন কৰিছিল।

বৰ্তমান সময়তো আমি দৈনন্দিন প্ৰয়োজনসমূহ পূৰাবৰ বাবে সময় বিশেষে এঠাইৰ পৰা আনঠাইলৈ যাবলগীয়া হয়। আদিম মানুহেও বিভিন্ন কাৰণত সততে এঠাইৰ পৰা আনঠাইলৈ ঘূৰি ফুৰিছিল। মূলত চিকাৰ আৰু খাদ্য সংগ্ৰহৰ বাবেই আদিম মানুহে এঠাইৰ পৰা আনঠাইলৈ ঘূৰি ফুৰিছিল। অৱশ্যে এনেদৰে ঘূৰি ফুৰাৰ কিছুমান অন্য কাৰণো আছিল। আদিম মানুহে এঠাইৰ পৰা আনঠাইলৈ ঘূৰি ফুৰাৰ কাৰণবোৰ হ'ল —

(ক) বহুদিন একে ঠাইত কাম কৰাৰ ফলত সেই ঠাইৰ খাদ্য সামগ্ৰীৰ নাটনি হ'বলৈ ধৰে। গতিকে খাদ্যৰ সন্ধানত তেওঁলোকে এঠাইৰ পৰা আন ঠাইলৈ গৈছিল।

(খ) গছ-গছনিবোৰ নিৰ্দিষ্ট ঋতুতহে ফুলে আৰু ফলে। সেইবাবে আদিম মানুহে ঋতু অনুযায়ী ফল-মূল বিচাৰি এঠাইৰ পৰা আন ঠাইলৈ ভ্ৰমি ফুৰিছিল।

(গ) জীয়াই থাকিবলৈ প্ৰাণী আৰু মানুহ উভয়কে পানীৰ প্ৰয়োজন। খৰাং বতৰত যেতিয়া হ্ৰদ, নদী-নিজৰাৰ পানী শুকাই যায় তেতিয়া আদিম মানুহে পানী বিচাৰি পানী থকা ঠাইলৈ গতি কৰে।

(ঘ) জন্তুবোৰেও খাদ্যৰ সন্ধানত এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰে। সেইবাবে আদিম মানুহৰ যি সকল চিকাৰ কৰ্মৰ লগত জড়িত, তেওঁলোকে জীৱ-জন্তুৰ গতি-বিধিৰ লগতে নিজৰো গতি-বিধি পৰিৱৰ্তন কৰিছিল।

(ঙ) আদিম মানুহে বন্ধু-বৰ্গ, আত্মীয়-স্বজনক লগ কৰিবলৈ এঠাইৰ পৰা আন ঠাইলৈ ভ্ৰমি ফুৰিছিল ।

এইখিনিতে মন কৰিবলগীয়া যে আদিম মানুহে সেই সময়ত খোজকাঢ়িয়েই এঠাইৰ পৰা আন ঠাইলৈ গৈছিল।

**জানি থওঁ আহা ঃ**

আদি প্ৰস্তৰ যুগৰ সময় খ্ৰীঃ পূঃ ৫,০০,০০০ৰ পৰা খ্ৰীঃ পূঃ ৮০০০ বছৰলৈ বুলি ধাৰণা কৰা হয়। সাধাৰণতে আদি প্ৰস্তৰ যুগক মানুহৰ ব্যৱহৃত সঁজুলি আৰু বতৰ পৰিৱৰ্তনৰ ওপৰত ভিত্তি কৰি তিনিটা স্তৰত ভাগ কৰা হয়। সেই কেইটা হ'ল —

ক) নিম্ন আদি প্ৰস্তৰ যুগ।

খ) মধ্য আদি প্ৰস্তৰ যুগ।

গ) উচ্চ আদি প্ৰস্তৰ যুগ।

আদি প্ৰস্তৰ যুগ আৰু নৱ প্ৰস্তৰ যুগৰ মাজৰ সময়ছোৱাক **মধ্য আদি প্ৰস্তৰ যুগ** বুলি কোৱা হয়। এই সময়ছোৱাত ব্যৱহাৰ কৰা সঁজুলিবোৰ খুব মিহি, নিমজ আৰু সৰু আকৃতিৰ।

আদিম মানুহৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল তেওঁলোকে হাবিৰ হিংস্ৰ জীৱ-জন্তুৰ পৰা নিজকে ৰক্ষা কৰিবলৈ সততে দলবান্ধি ফুৰিছিল। যি কাৰণতে নহওক, এনেদৰে দলবান্ধি ফুৰাৰ বাবে মানুহে ইজনে সিজনক সহায়-সহযোগ কৰা, নেতৃত্ব দিয়া আদি কথাবোৰ তেতিয়াৰ পৰাই শিকিব পাৰিলে।

**দলত আলোচনা কৰা ঃ**

(ক) আদিম মানুহৰ জীৱন কঠিন বুলি কিয় ভবা হয়?


(খ) মানুহে দলবান্ধি ফুৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত এটি টোকা প্ৰস্তুত কৰি শ্ৰেণীত সমূহীয়াকৈ আলোচনা কৰা।



*চিত্ৰ - ২ ঃ আদিম মানুহৰ জীৱন-যাত্ৰা*

### সা-সঁজুলি ঃ

ওপৰৰ আলোচনাৰ পৰা ধাৰণা কৰিব পাৰি যে আদিম মানুহৰ জীৱন যথেষ্ট বিপদসংকুল আৰু কঠিন আছিল। কাৰণ আজিৰ দৰে বিভিন্ন ধৰণৰ কাম-কাজ কৰিবলৈ তেওঁলোকৰ সা-সঁজুলি, অস্ত্ৰ-শস্ত্ৰ নাছিল। তেওঁলোকে গছৰ শিপা আদি খান্দিবলৈ, জীৱ-জন্তু চিকাৰ কৰিবলৈ, মৃত জন্তুৰ ছাল এৰুৱাবলৈ কেনেধৰণৰ সঁজুলি ব্যৱহাৰ কৰিছিল ? ওপৰৰ চিত্ৰখনলৈ চোৱাচোন। চিত্ৰখনত আদিম মানুহে জীৱ-জন্তু চিকাৰ কৰা, সেইবোৰ কটা আৰু সেকা, বিভিন্ন সা-সঁজুলি গঢ়ি থকা দেখা পাইছা নহয়নে? চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী আদিম মানুহে দৈনন্দিন কামত ব্যৱহাৰৰ বাবে শিল, জীৱ-জন্তুৰ হাড়, দাঁত আদি জোৰা সঁজুলি ব্যৱহাৰ কৰিছিল।



*চিত্ৰ - ৩ ঃ শিলৰ সা-সঁজুলি*

ওপৰৰ চিত্ৰখনলৈ চোৱাচোন। তাত কেনে ধৰণৰ শিলৰ সঁজুলি দেখিবলৈ পাইছাহঁক । ভিন ভিন আকাৰ-আকৃতিৰে আদিম মানুহে তেওঁলোকৰ কামত অহাকৈ সঁজুলি আৰু অস্ত্ৰ-শস্ত্ৰ গঢ় দি লৈছিল। এনেকুৱা সঁজুলিৰ

দ্বাৰাই তেওঁলোকে মাছ-মাংস কাটিছিল, গছৰ বাকলি আৰু জীৱ-জন্তুৰ ছাল এৰুৱাইছিল, গছৰ শিপা খান্দিছিল আনকি চিকাৰো কৰিছিল। মন কৰাচোন সঁজুলিবোৰ প্ৰথমতে অতি সাধাৰণ, ভোটা আৰু খহটা যেন লগা নাইনে? ক্ৰমে দিন বাগৰাৰ লগে লগে তেওঁলোকৰ সঁজুলিবোৰৰ প্ৰথমখিনি অধিক মিহি, মসৃণ আৰু জোঙা হৈ পৰিছিল।

**উত্তৰ দিয়া ঃ**

সা-সঁজুলিসমূহ মিহি আৰু জোঙা হোৱাৰ ফলত আদিম মানুহৰ কি কি সুবিধা হৈছিল?

## জুইৰ আৱিষ্কাৰ ঃ



*চিত্ৰ - ৪ ঃ গুহাৰ ছবি*

প্ৰত্নতত্ত্ববিদসকলে প্ৰাচীন গুহাসমূহ পৰিদৰ্শন কৰোঁতে গুহাসমূহত কিছুমান ছাইৰ চিন দেখা পায়। এই চিনসমূহৰ পৰা প্ৰত্নতত্ত্ববিদসকলে ধাৰণা কৰে যে আদিম মানুহৰ জুইৰ লগত পৰিচয় আছিল। আদিম যুগৰ কোনো চিকাৰী নাইবা খাদ্য সংগ্ৰহকাৰীৰ জৰিয়তেই জুইৰ আৱিষ্কাৰ হৈছিল বুলি তেওঁলোকে অনুমান কৰে। খাদ্যৰ সন্ধানত আদিম মানুহে হাবিত ঘূৰি ফুৰোঁতে হয়তো ঘটনা ক্ৰমে শিলে শিলে ঘঁহনি খাই ফিৰিঙতিৰ উৎপত্তি হোৱা দেখিবলৈ পাইছিল আৰু সেই ফিৰিঙতিয়ে শুকান পাত আৰু কাঠৰ সংস্পৰ্শলৈ আহি জুইৰ সৃষ্টি কৰিছিল। তেতিয়াৰ পৰাই হয়তো তেওঁলোকে জুইৰ ব্যৱহাৰ কৰিবলৈ শিকিছিল। জুইৰ আৱিষ্কাৰ মানৱ সভ্যতাৰ অগ্ৰগতিৰ এক উল্লেখনীয় অধ্যায়।

**দলত আলোচনা কৰা ঃ**


(ক) আদিম মানুহে জুই কি কি কামত ব্যৱহাৰ কৰিছিল?

(খ) আজিকালি জুইক আমি কি কি কামত ব্যৱহাৰ কৰো?

(গ) জুই অবিহনে মানুহৰ জীৱন-যাপন প্ৰণালী কেনে হ'লহেঁতেন?

### আ-অলঙ্কাৰ আৰু সাজপোছাক ঃ

আদিম মানুহে যে কেৱল সঁজুলিয়েই তৈয়াৰ কৰিছিল তেনে নহয়। তেওঁলোকে প্ৰয়োজনীয় সাজ-পোছাক, আ-অলংকাৰ আদিও গঢ়ি লৈছিল। তেওঁলোকে শীত, তাপ আদিৰ পৰা নিজকে ৰক্ষা কৰিবলৈ ভিন ভিন সাজ-পোছাক তৈয়াৰ কৰি পিন্ধিছিল। গছৰ বাকলি, জন্তুৰ ছাল আৰু নোম আদিৰ পৰা তৈয়াৰী পোছাক আদিম মানুহে পৰিধান কৰিছিল। আদিম মানুহে বিভিন্ন জন্তুৰ হাড়, দাঁত, খোলা, শিল আদিৰে তৈয়াৰী বিভিন্ন আ-অলংকাৰ পিন্ধিছিল। চিত্ৰ - ৫ ঃ ত আদিম মানুহে ব্যৱহাৰ কৰা কিছুমান আ-অলংকাৰৰ বিষয়ে আভাস দিয়া হৈছে।



*চিত্ৰ - ৫ ঃ আ-অলংকাৰ*

### আমোদ-প্ৰমোদৰ ব্যৱস্থা ঃ

আমাক আমোদ-প্ৰমোদ কিয় লাগে? বৰ্তমান সময়ত আমি আমোদ-প্ৰমোদৰ বাবে কি কি ব্যৱস্থা লওঁ? এৰা কৰ্ম ব্যস্ততাৰ পৰা আঁতৰি আজৰি সময়ত আমি নৃত্য-গীত কৰি, ফুলনি বাগিচা পাতি, বিভিন্ন খেল-ধেমালি কৰি মনৰ সজীৱতা ঘূৰাই আনিবলৈ যত্ন কৰোঁ। ঠিক তেনেদৰে দল বান্ধি চিকাৰলৈ যোৱা, খাদ্য সংগ্ৰহ কৰিবলৈ যোৱা, ছবি আঁকা আদি আদিম মানুহৰ বাবে আমোদজনক কাম আছিল। আদিম মানুহে প্ৰকৃতিত লাভ কৰা ৰঙীণ শিল, গছৰ ছাল, গুটি আদি ঘঁহি ৰং তৈয়াৰ কৰি গুহাত অংকন কৰিছিল। কিছু কিছু গুহাত আকৌ চিকাৰ নৃত্যৰ ছবিও দেখিবলৈ পোৱা গৈছে। এইবোৰ অংকনৰ জৰিয়তে আদিম মানুহে আনন্দ লাভ কৰিছিল। মানুহে নিজৰ সৃষ্টিক উন্নত কৰাৰ বাবে অহৰহ চেষ্টা চলাই আহিছে। নিজৰ বুদ্ধিৰ বলত মানুহে বহুত নতুন নতুন কৌশলো আয়ত্ত কৰে। ইয়েই মানুহৰ জীৱন ধাৰণ প্ৰণালীত প্ৰভাৱ পেলাই আহিছে।

এইদৰেই আদিম মানুহে চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী ৰূপে এটা সহজ-সৰল অথচ কঠিন জীৱন-নিৰ্বাহ কৰিছিল। পুৰুষ-মহিলা সকলোৰে লগে-ভাগে কাম কৰিছিল। তেওঁলোকে যি খাদ্যবস্তু সংগ্ৰহ কৰিছিল, সেইবোৰ ভগাই খাইছিল। সেইবোৰ সংগ্ৰহ কৰি ৰখাৰ কথা ভবাই নাছিল।

সময়ৰ লগে লগে আদিম মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ সলনি আৰু উন্নতি হৈছিল। পূৰ্বৰ চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী হিচাপে ভ্ৰমি ফুৰা আদিম লোকসকলে সময় বাগৰাৰ লগে লগে কোনো ঠাইত নিগাজিকৈ থকাৰ ব্যৱস্থা কৰিবলৈ ল'লে। পিছে সকলো ঠাইতে এই পৰিৱৰ্তনবোৰ একে সময়তে হোৱা নাছিল । এতিয়াও স্থান অনুযায়ী মানুহ বিকাশৰ বিভিন্ন স্তৰত আছে। এতিয়াও পৃথিৱীৰ বিভিন্ন ঠাইত খাদ্য-সংগ্ৰহকাৰী আৰু চিকাৰী মানুহ থকাৰ প্ৰমাণ পোৱা যায়।

#### জানি থওঁ আহা ঃ

কাষৰ ছবিখন ফ্ৰান্স দেশৰ এটি গুহাৰ পৰা আৱিষ্কাৰ কৰা হৈছে। এশ বছৰ আগতেই চাৰিজন স্কুলীয়া ল'ৰা-ছোৱালীয়ে এই ঠাইডোখৰ আৱিষ্কাৰ কৰিছিল। এনে ধৰণৰ ছবি ১০,০০০ ৰ পৰা ২০,০০০ বছৰ আগতে আঁকা হৈছিল। ছবিবোৰ উজ্জ্বল ৰঙেৰে অংকন কৰা হৈছিল। এই ৰঙবোৰ লো আৰু কয়লাৰ দ্বাৰা তৈয়াৰ কৰা হৈছিল। অনুমান কৰা হৈছে যে এই ছবিবোৰ বিভিন্ন উৎসৱ পাৰ্বনৰ বাবে আঁকা হৈছিল নতুবা চিকাৰলৈ যোৱাৰ আগতে এই ধৰণৰ ছবি বিশেষ আনুষ্ঠানিক নিয়মৰ পূৰ্বে আঁকা হৈছিল। মানচিত্ৰত ফ্ৰান্সৰ অৱস্থিতি চিনাক্ত কৰা।



**মনত ৰাখিবলগীয়া কথা ঃ**

- আদিম মানুহে চিকাৰ কৰি আৰু হাবিৰ পৰা খাদ্য সংগ্ৰহ কৰি অঘৰী জীৱন কটাইছিল।
- তেওঁলোকে দলবান্ধি এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰিছিল।
- আদিম মানুহে প্ৰথম সঁজুলি হিচাপে শিলকে ব্যৱহাৰ কৰিছিল।
- জুই আদিম মানুহৰ প্ৰথম উল্লেখনীয় আৱিষ্কাৰ।
- আমোদ-প্ৰমোদৰ বাবে আদিম মানুহে চিকাৰ কৰা, চিকাৰৰ পূৰ্বে নৃত্য কৰা, ছবি অঁকা আদি কামবোৰ কৰিছিল।
- সংগ্ৰহ কৰা খাদ্য আদিম মানুহে সাঁচি ৰখাৰ প্ৰয়োজনবোধ কৰা নাছিল।

**অনুশীলনী ঃ**

১) উত্তৰ লিখা—

ক) আদিম যুগৰ মানুহে কি কি খাদ্য খাইছিল?

খ) আদিম মানুহে কি কাৰণে এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰিছিল?

গ) বৰ্তমান সময়ৰ মানুহৰ ভ্ৰমণৰ উদ্দেশ্য আৰু আদিম মানুহৰ ভ্ৰমণৰ উদ্দেশ্যৰ মাজত কি কি ক্ষেত্ৰত মিল আৰু অমিল আছে?

ঘ) আদিম যুগৰ মানুহে শিলকে কিয় সঁজুলি হিচাপে ব্যৱহাৰ কৰিছিল?

ঙ) বৰ্তমান শিলক কি কি কামত ব্যৱহাৰ কৰা হয় তাৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

চ) জুইৰ আৱিষ্কাৰ কিদৰে হৈছিল?

ছ) আদিম মানুহে জুই কি কি কামত ব্যৱহাৰ কৰিছিল?

২) দলগত কাৰ্য ঃ

(ক) ক্ৰম অনুযায়ী শিলৰ সঁজুলিৰ চিত্ৰ অংকন কৰি শ্ৰেণীকোঠাত আঁৰি থোৱা।

(খ) প্ৰাচীন মানুহৰ চিকাৰ আৰু খাদ্য সংগ্ৰহৰ চিত্ৰ প্ৰস্তুত কৰা।

(গ) তোমালোকে বহীত দুটা ভাগ কৰি এটা ভাগত আদিম মানুহে খোৱা খাদ্য আৰু আনটো ভাগত বৰ্তমান মানুহে খোৱা খাদ্যৰ নামৰ তালিকা এখন প্ৰস্তুত কৰা।

(ঘ) বৰ্তমান ঘৰুৱা কাম-কাজত ব্যৱহাৰ কৰা কেইটামান সঁজুলিৰ এখন তালিকা বনোৱা, লগতে সেই সঁজুলিবোৰ কিহেৰে নিৰ্মিত উল্লেখ কৰা।

৩) আদিম মানুহে সংগ্ৰহ কৰা খাদ্য কিয় সাঁচি নাৰাখিছিল? ব্যাখ্যা কৰা।

**************